**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-08-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১।	চৰকাৰী কৰ্মচাৰীসকলৰ নিশ্চিত পেন্সন প্ৰদানৰ উদ্দেশ্যে নতুন পেন্সন আঁচনি, ইউনিফাইড পেন্সন আঁচনিত কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন।

২।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত।

৩।	ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত কৰ্ণধাৰ সমিতিৰ বৈঠকত ৰাজ্যৰ আসন্ন পঞ্চায়ত নিৰ্বাচন, ৫টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচন সন্দৰ্ভত আলোচনা।

৪।	ৰাজ্যৰ সামগ্ৰিক উন্নয়নৰ বাবে বৰ্তমান উদ্যোগ খণ্ডত অধিক বিনিয়োগত মনোনিৱেশ কৰা বুলি ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ সচিব ড০ লক্ষ্মনন এছৰ প্ৰকাশ। **আৰু**

৫।	আজিৰে পৰা পেৰিছত বিশেষভাৱে সক্ষম খেলুৱৈৰ ক্ৰীড়া সমাৰোহ পেৰালিম্পিক।

০০০০০০

কেন্দ্ৰীয় কেবিনেটে চৰকাৰী কৰ্মচাৰীসকলৰ নিশ্চিত পেন্সন প্ৰদানৰ উদ্দেশ্যে নতুন পেন্সন আঁচনি, একীকৃত পেন্সন আঁচনিত অনুমোদন জনাইছে। কেবিনেট বৈঠকৰ পিছত নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, এই আঁচনিৰ অধীনত ২৫ বছৰ সেৱা আগবঢ়োৱাৰ পাছত শেষৰ ১২টা মাহৰ দৰমহাৰ ৫০ শতাংশ পেন্সন হিচাপে আগবঢ়োৱা হ'ব। তদুপৰি এই আঁচনিত কৰ্মচাৰীৰ মৃত্যুৰ পাছত পৰিয়ালৰ বাবে ৬০ শতাংশ পেন্সনৰ নিশ্চিতি প্ৰদান কৰা হৈছে। শ্ৰীবৈষ্ণৱে কয় যে, এই আঁচনিৰ জৰিয়তে প্ৰায় ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী উপকৃত হ'ব। এই আঁচনিখন ২০২৫ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'ব। শ্ৰীবৈষ্ণৱে লগতে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সভাপতিত্বত অনুষ্ঠিত কেবিনেটে অৰ্থনীতি পৰিৱেশ আৰু নিয়োগ নীতিৰ ক্ষেত্ৰত বায়' ই-থ্ৰী জৈৱ প্ৰযুক্তিত অনুমোদন জনাইছে। শ্ৰীবৈষ্ণৱে কয় যে, ইয়াৰ জৰিয়তে উদ্যমিতা, বিকাশৰ আৰু গৱেষণাৰ ক্ষেত্ৰত উদ্ভাৱনীমূলক দিশত এই আঁচনিয়ে সহায় কৰিব। কেবিনেটে ১০ হাজাৰ ৫৭৯ কোটি টকা নিৰ্ধাৰণেৰে বিজ্ঞান ধাৰা ৩ খন মুখ্য আঁচনি অব্যাহত ৰখাত অনুমোদন জনাইছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কালি নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী সংস্থাৰ যুটীয়া মঞ্চ Joint Consultative Machineryৰ এটা প্ৰতিনিধি গোটৰ সৈতে এখন বৈঠকত মিলিত হয়। সংস্থাটোৰ সম্পাদক গোপাল মিশ্ৰই ৩২ লাখ কৰ্মচাৰীৰ প্ৰতিনিধি গোটৰ সৈতে প্ৰধানমন্ত্ৰী আলোচনা কৰাৰ বাবে তেওঁক ধন্যবাদ জনায়।০০০০০

০০০০০০

কেন্দ্ৰীয় কেবিনেটৰ একীকৃত পেন্সন আঁচনিৰ অনুমোদনক চৰকাৰী কৰ্মচাৰীসকলে আদৰণি জনাইছে। তেওঁলোকে লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তেওঁলোকৰ বিভিন্ন সমস্যা সম্পৰ্কে কৰা আলোচনাৰ বাবেও ধন্যবাদ জনাইছে। চৰকাৰী কৰ্মচাৰী সংস্থাৰ যুটীয়া মঞ্চ Joint Consultative Machinery ৰ সম্পাদক গোপাল মিশ্ৰই কয় যে, প্ৰধানমন্ত্ৰীয়ে তেওঁলোকক এখন বৈঠকৰ বাবে আমন্ত্ৰণ জনাইছিল।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৩ সংখ্যক খণ্ড।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে এই অনুষ্ঠানৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কালি ৰাজ্যিক বিজেপিৰ গুৱাহাটীৰ বশিষ্ঠত থকা মুখ্য কাৰ্যালয়ত কৰ্ণধাৰ সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাজ্যৰ আসন্ন পঞ্চায়ত নিৰ্বাচন, ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনকে ধৰি আন বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। কালিৰ বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজ, কেইবাগৰাকীও মন্ত্ৰী, বিধায়ককে ধৰি দলৰ কেইবাগৰাকীও সাংসদ উপস্থিত থাকে। কৰ্ণধাৰ সমিতিৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদমেলত কয় যে, ৰাজ্যখনত যাতে এইবাৰ দলৰ সদস্যভৰ্তি অভিযান সফল হয়। তাৰ বাবে বুথ পৰ্যায়লৈকে বিশেষ কাৰ্যসূচী প্ৰস্তুত কৰা হৈছে। এই সন্দৰ্ভত কৰ্ণধাৰ সমিতিৰ বৈঠকত বিতংকৈ আলোচনা কৰা হয় বুলি তেওঁ জানিবলৈ দিয়ে। যিহেতু দেশৰ নিৰ্বাচন আয়োগে উপ নিৰ্বাচনৰ দিন ঘোষণা কৰা নাই, সেয়েহে বৈঠকখনত সাংগঠনিৰ দিশৰ ওপৰত আলোচনা কৰা হয়। আনহাতে ৰাজ্যসভা নিৰ্বাচনত ৰামেশ্বৰ তেলী আৰু মিছন ৰঞ্জন দাস বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হ'বলগাৰ পৰিপ্ৰেক্ষিতত বৈঠকত দুয়োগৰাকীকে অভিনন্দন জ্ঞাপন কৰে। উল্লেখযোগে যে যোৱা ২২ আগষ্টত ৰাজ্যসভা নিৰ্বাচনৰ মনোনয়ন পৰীক্ষাত দুয়োগৰাকী প্ৰাৰ্থীৰে মনোনয়ন বৈধ ঘোষণা কৰাৰ লগতে ইয়াৰ বাবে আন কোনো প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল নকৰাত তেওঁলোক নিৰ্বাচিত হোৱাটো স্পষ্ট হৈ পৰে।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শিলচৰ চিকিৎসা মহাবিদ্যালয়খনত নিৰ্মাণ হৈ থকা ৫৩৫ খন বিচনাযুক্ত জৰুৰীকালীন সেৱা ভৱনটো অহা বছৰৰ ভিতৰত সম্পূৰ্ণ হব বুলি আশা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কালি মহাবিদ্যালয়খনৰ ভৱনটোৰ নিৰ্মাণৰ কামকাজৰ তদাৰক কৰি এই কথা প্ৰকাশ কৰে। তেওঁ এই ভৱনটোৰ নিৰ্মাণ সম্পূৰ্ণ হলে মহাবিদ্যালয়খনৰ বিচনাৰ সংখ্যা বৰ্তমানৰ ১৩৫০ খনৰ পৰা ১৮৮৫ খনলৈ বৃদ্ধি পাব বুলি অৱগত কৰে। এই নতুন ভৱনটোৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছতে পুনৰ এহেজাৰখন বিচনাযুক্ত এখন চিকিৎসালয় নিৰ্মাণ

কৰা হ'ব। এই ক্ষেত্ৰত মহাবিদ্যালয়খনৰ আন্তঃগাঠনি উন্নয়নৰ বাবে এটা মাষ্টাৰ প্লেন গঠন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত হৃদৰোগীসকলৰ বাবে ২০ খন বিচনাযুক্ত এটা নতুন আই চি ইউ প্ৰকল্প মুকলি কৰে।

ইফালে, হাইলাকান্দি জিলাত এখন নতুন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ বাবে প্ৰচেষ্টা অব্যাহত আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শিলচৰ আৰু ইয়াৰ দাতিকাষৰীয়া অঞ্চলসমূহত সমাগত দুৰ্গা পূজাৰ আগত যাতায়ত সেৱা উন্নত কৰিবৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে পদক্ষেপ হাতত লৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমান উদ্যোগ খণ্ডত অধিক বিনিয়োগত মনোনিবেশ কৰা হৈছে। ইয়াৰ অংশ হিচাপে জাগীৰোডত ২৭ হাজাৰ কোটি টকা ব্যয়ৰে অৰ্ধপৰিবাহী প্ৰকল্পৰ নিৰ্মাণৰ কাম অব্যাহত আছে। ইয়াৰ ফলত ১৮ হাজাৰৰো অধিক লোকৰ কৰ্মসংস্থাপন হোৱাৰ সম্ভাৱনা আছে। আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ সচিব ডাঃ লক্ষ্মনন এছ্ এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, ইয়াৰ ফলত বৰ্তমান সময়ত বিদেশৰ পৰা আমদানি কৰা অৰ্ধপৰিবাহী সামগ্ৰিৰ পৰিৱৰ্তে আমাৰ দেশত নিৰ্মিত সামগ্ৰি ৰপ্তানি কৰিব পৰা যাব। বৰ্তমান ৰাজ্যখনত উদ্যোগ খণ্ডৰ বাবে সোণালী সময় বুলি তেওঁ প্ৰকাশ কৰে। বৰ্তমান মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে ৰাজ্যখনৰ উদ্যোগ খণ্ডকে ধৰি আন বিভিন্ন খণ্ডৰ সামগ্ৰিক বিকাশৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে। আকাশবাণীৰ সংবাদদাতা মানস প্ৰতীম শৰ্মাই আঁতধৰা অনুষ্ঠানত তেওঁ কয় যে, বৰ্তমান এম এছ এম ই অৰ্থাৎ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগখণ্ডত ভালেমান বিকাশ সাধন হৈছে। ৰাজ্যখনত ষ্টাৰ্টআপৰ জৰিয়তে নতুনকৈ ব্যৱসায় কৰাৰ বাবে ভালেমান ব্যৱস্থা সহজলভ্য কৰি তোলা হৈছে বুলি তেওঁ অৱগত কৰে। এই খণ্ডত অন্তৰ্ভুক্ত উদ্যোগীসকলৰ বাবে ঋণ লোৱাৰ ব্যৱস্থা সহজ কৰি তোলা হৈছে। তেওঁ কয় যে, গুৱাহাটীত ব্যৱসায় কৰাৰ বাবে দক্ষিণ-পূব এছিয়াৰ ভালেমান দেশে বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে বিশেষ সহযোগিতা আগবঢ়াই আহিছে। এই প্ৰসংগত তেওঁ গুৱাহাটীত বাংলাদেশ আৰু ভূটানৰ উচ্চায়ুক্তৰ কাৰ্যালয় স্থাপন কৰাটো উল্লেখযোগ্য বুলি অভিহিত কৰে। গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত দ্বিতীয়টো টাৰ্মিনেল নিৰ্মাণৰ প্ৰসংগত তেওঁ কয় যে, বৰ্তমান সময়ত গুৱাহাটী বিমান বন্দৰটো দেশৰ অন্যতম ব্যস্ততাপূৰ্ণ বিমান বন্দৰ হিচাপে পৰিগণিত হৈছে। বৰ্তমান গুৱাহাটীলৈ আন্তঃৰাষ্ট্ৰী বিমানৰ সংখ্যা বৃদ্ধি হোৱা বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয় যে, ৰাজ্য চৰকাৰে অসম ঔদ্যোগিক বিকাশ নিগমৰ পৃষ্ঠপোষকতাত আন সংশ্লিষ্ট পক্ষৰ সৈতে গুৱাহাটী বিমান বন্দৰত এটা কাৰ্গো টাৰ্মিনেল স্থাপন কৰা হ'ব বুলি অৱগত কৰে। ইয়াৰ ফলত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন সামগ্ৰি ব্যাপক পৰিমাণত ৰপ্তানি কৰিব পৰা যাব বুলি ডাঃ লক্ষ্মনন এছে অৱগত কৰে। লগতে কৰ্মসংস্থাপনো বৃদ্ধি পাব বুলিও তেওঁ জানিবলৈ দিয়ে। গুৱাহাটীত স্থাপন কৰিবলগীয়া আই আই এমৰ প্ৰসংগত তেওঁ ৰাজ্যখনত বিগত ৭ৰ পৰা ৮ বছৰত অৰ্থনৈতিক বিকাশ অধিক ত্বৰান্বিত হৈছে বুলি প্ৰকাশ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি কাছাৰ জিলা বাৰ এছ'চিয়েচনৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কাৰ্যসূচীত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কাছাৰ জিলা বাৰ এছ'চিয়েচনৰ ডেৰশ বছৰ এক

দীঘলীয়া পৰিক্ৰমা বুলি মন্তব্য কৰি কয় যে, ডেৰশ বছৰ এটা অনুষ্ঠান সৰলবাৰে জীয়াই ৰাখি তথা সফলতাৰে কাৰ্যনিৰ্বাহ কৰি এক নিদৰ্শন স্থাপন কৰাতো এক অনন্য কৃৰ্তিত্ব। ভাৰতবৰ্ষ হৈছে গণতন্ত্ৰৰ জননী বুলি উল্লেখ কৰি তেওঁ কয় যে, ভাৰতীয় গণতন্ত্ৰ অন্যতম মূল ভিত্তি হৈছে ন্যায় পালিকা। অধিবক্তাসকল ন্যায়িক ব্যৱস্থাটোৰ অন্যতম গুৰুত্বপূৰ্ণ অংগ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে। দেশৰ ন্যায়িক ব্যৱস্থাটো এক নতুন দিশে গতি কৰিছে বুলি মন্তব্য কৰি ড০ শৰ্মাই কয় যে, ব্ৰিটিছে প্ৰৱৰ্তন কৰা আই পি চি, চি আৰ পি চি আৰু ইণ্ডিয়ান ইভিডেন্স আইন আদিৰ পৰিৱৰ্তে দেশৰ সংসদে বৰ্তমান ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম আইন শুদ্ধ আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰে প্ৰণয়ন কৰা হৈছে বুলিও তেওঁ মন্তব্য কৰে।

০০০০০০

ব্ৰাজিলৰ বিদেশ মন্ত্ৰী মৌৰ ৰিয়েৰা চাৰিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হ'ব। মঙলবাৰে বিদেশমন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু শ্ৰীৰিয়েৰাই ভাৰত-ব্ৰাজিল নৰম যুটীয়া আয়োগৰ বৈঠকত সভাপতিত্ব কৰিব। বিদেশ মন্ত্ৰালয়ে কৈছে যে, এই বছৰ ব্ৰাজিলে জি-টুৱেণ্টিৰ অধ্যক্ষতা কৰাৰ লগে লগে দুয়োখন দেশে জি-টুৱেণ্টিৰ মূল ফলাফলসমূহ কেনেদৰে আগবঢ়াই নিব সেই বিষয়ে বৈঠকত আলোচনা কৰা হ'ব। মন্ত্ৰ্যালয়ে লগতে কৈছে যে, ভাৰত আৰু ব্ৰাজিলে বিভিন্ন ক্ষেত্ৰত সম্পৰ্ক ৰক্ষা কৰি আহিছে। মন্ত্ৰ্যালয়ে লগতে কয় যে, বিদেশ মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে ২০০৬ চনতে প্ৰতিষ্ঠা হোৱা কৌশলগত অংশীদাৰিত্ব আধিক সুদৃঢ় কৰাৰ সুবিধা আগবঢ়োৱাৰ লগতে বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক, আঞ্চলিক আৰু বহুপাক্ষিক সহযোগিতাৰ নতুন পথ মুকলি কৰিব।

০০০০০০

নাছাৰ দুগৰাকী মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বেৰী উইলমৰে ২০২৫ চনৰ ফেব্ৰুৱাৰীত স্পেছ এক্সৰ জৰিয়তে পৃথিৱীলৈ উভতি আহিব। তেওঁলোকে আঠ দিনীয়া অভিযানেৰে মহাকাশলৈ ৰাওনা হৈছিল যদিও **ষ্টাৰলাইনাৰ** মহাকাশ যানখনৰ কিছু সমস্যাৰ বাবে এতিয়া প্ৰায় ৮ মাহ মহাকাশত কটাব। নাছাই ঘোষণা কৰিছে যে, ষ্টাৰলাইনাৰ মহাকাশ যানখন মানৱ বিহীনভাৱে পৃথিৱীলৈ উভতি আহিব।

০০০০০০

দৰং মহাবিদ্যালয়ৰ অসমীয়া বিভাগে গ্ৰহণ কৰা **শিক্ষা সেতু** শীৰ্ষক জনকল্যাণমূলক আঁচনিৰ জৰিয়তে কালি তেজপুৰৰ কেতেকীবাৰীস্থিত নৱপ্ৰভাত শিশু গৃহত শিক্ষণ সামগ্ৰী আৰু খাদ্য সামগ্ৰী বিতৰণ কৰা হয়। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে নৱপ্ৰভাত শিশু গৃহত উপস্থিত হৈ শিশুসকলৰ সৈতে অন্তৰংগ আলাপ কৰে। অনুষ্ঠানত দৰং মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শিশুসকলৰ মনোৰঞ্জনৰ বাবে গীত-নৃত্য আদি পৰিৱেশন কৰে।

০০০০০০

অসমৰ প্ৰথম অৰ্জুন বঁটাপ্ৰাপক ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে অভিৰুচিৰ তৰফৰ পৰা ৩ ছেপ্তেম্বৰত প্ৰতিবছৰে অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰি আহিছে। ৪১ সংখ্যক অভিৰুচি ক্ৰীড়া দিৱস এইবাৰ দুদিনীয়া কাৰ্যসূচীৰে পালন কৰা হ'ব। অহা ৩ আৰু ৪ ছেপ্তেম্বৰত অনুষ্ঠিত হ'বলগীয়া এই দিৱসৰ দুদিনীয়া কাৰ্যসূচীত

অসম গৌৰৱ লাভলীনা বৰগোহাঁই আৰু অলিম্পিয়ান হকী খেলুৱৈ টি এইচ অনুৰাধা দেৱীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০

জৰে পৰা পেৰিছত বিশেষভাৱে সক্ষম খেলুৱৈৰ ক্ৰীড়া সমাৰোহ পেৰালিম্পিক আৰম্ভ হ'ব। এইবাৰ প্ৰতিযোগিতাত ভাৰতৰ ৮৪ জন খেলুৱৈ অংশগ্ৰহণ কৰিব। পেৰালিম্পিকলৈ প্ৰেৰণ কৰা ভাৰতৰ এয়া সৰ্ববৃহৎ দল হ'ব। টকিঅ' অলিম্পিক ২০২০ত ভাৰতে মুঠ ৫৪ জনীয়া খেলুৱৈৰ এটা দল প্ৰেৰণ কৰিছিল। পেৰিছ পেৰালিম্পিকত ভাৰতীয় দলৰ ৩২ গৰাকী মহিলা খেলুৱৈ অন্তৰ্ভুক্ত হৈছে। ভাৰতে এইবাৰৰ পেৰালিম্পিকত তিনিটা নতুন ক্ৰীড়া ক্ৰমে- পেৰা চাইক্লিং, পেৰা ৰয়িং আৰু দৃষ্টিহীন বা ব্লাইণ্ড জুডোত প্ৰথমবাৰৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব। যাৰ ফলত দেশৰ অংশগ্ৰহণ ১২টা ক্ৰীড়ালৈ বৃদ্ধি হ'ব। সামগ্ৰিকভাৱে পেৰিছ পেৰালিম্পকত ২২টা ক্ৰীড়া অনুষ্ঠিত হ'ব। আৰ্ছাদ শাইকে পুৰুষৰ পেৰা চাইক্লিং প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা কৰিব। আনহাতে জ্যোতি গাডাৰীয়াই মহিলাৰ শাখাত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। অনিতা আৰু কে নাৰায়ণে পেৰা ৰয়িঙত ভাৰতক প্ৰতিনিধিত্ব কৰিব। কপিল পাৰমানে দৃষ্টিহীন জুডোত পুৰুষৰ ৬০ কিলোগ্ৰাম শাখাত অংশগ্ৰহণ কৰিব।

০০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই দেশৰ সকলো ক্ৰীড়া প্ৰেমীক ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। অহা ২৯ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন কৰা হ'ব। ক্ৰীড়া মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী মোদীৰ ফিট ইণ্ডিয়া অভিযানক আগবঢ়াই নিবলৈ সকলোকে আহ্বান জনায়। তেওঁ লগতে কয় যে, নিজকে সুস্থ-সবল কৰি ৰখাটো প্ৰতিগৰাকী ভাৰতীয়ৰ দায়িত্ব। ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস কেৱল দেশৰ খেলুৱৈসকলক সন্মানিত কৰাৰ এটা উপলক্ষ্যই নহয় বৰং এই দিৱসে সন্তুলিত আৰু সুস্থ জীৱন বৰ্তাই ৰখাত ক্ৰীড়াই কিদৰে সদায় কৰে সেই বিষয়েও সোঁৱৰাই দিয়ে বুলি ড০ মন্দাভিয়াই উল্লেখ কৰে।

০০০০০০

নগাঁও জিলাৰ ধিং থানাৰ অন্তৰ্গত বৰভেটি পথত এগৰাকী কিশোৰীৰ দলবদ্ধ ধৰ্ষণত অভিযুক্ত তফজ্জুল ইছলামৰ পলাবলৈ গৈ পানীত পৰি মৃত্যু হোৱাৰ বাতৰি আজি প্ৰকাশিত কাকতসমূহে প্ৰথম পৃষ্ঠাত স্থান দিছে। নিয়মীয়া বাৰ্তা কাকতত এই বাতৰিৰ শিৰোনাম পুখুৰীত জপিয়াই নৰকলৈ নৰাধম তফজ্জুল। মৃত তফজ্জুল ইছলামৰ জানাজাত তেওঁৰ জন্মস্থান ধিঙৰ বৰভেটিৰ ৰাইজে অংশ নোলোৱাৰ  বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে। এই ঘটনা সন্দৰ্ভত  ধিঙৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠান বন্ধ থকাৰ বাতৰি দৈনিক অসম কাকতে প্ৰকাশ কৰিছে। ধিঙৰ পিছত তিতাবৰ, লখিমপুৰ, চিৰাং, ডিফু, হোজাই আৰু তিনিচুকীয়াতো বলৎকাৰৰ ঘটনা পোহৰলৈ অহাৰ বাতৰি দৈনিক জনমভূমি আৰু দি আছাম ত্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ঠেলগিৰিৰ ওপৰত ক্ৰমবৰ্ধিত আগ্ৰাসন সন্ত্ৰাসৰ বিৰুদ্ধে ডিব্ৰুগড়ত ৩০ৰো অধিক সংগঠন গৰজি উঠাৰ বাতৰি অসমীয়া প্ৰতিনিদন কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে উজনিত মিঞা বিচাৰি অভিযান গোলাঘাটত ঐক্যবদ্ধ খিলঞ্জীয়া শিৰোনামেৰে অসমীয়া খবৰ কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪২৮ সংখ্যক তিৰোভৱ তিথি কালি  ৰাজ্যজুৰি পালন কৰা হয়। এই উপলক্ষে পুৱাৰে পৰা সত্ৰ-নামঘৰসমূহত ভকত-বৈষ্ণৱৰ ভিৰ পৰিলক্ষিত হয়। দ্যা ছেণ্টিনেল কাকতে আলোকচিত্ৰ প্ৰকাশ কৰাৰ লগতে প্ৰায়বোৰ কাকতে এই বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাছিয়া ভ্ৰমণৰ পাছত ইউক্ৰেইন ভ্ৰমণত  যুদ্ধৰত দুয়োখন দেশৰ মাজত ৰাষ্ট্ৰসংঘই শান্তি স্থাপনৰ আশা দেখিছে। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানে প্ৰকাশ কৰিছে যে, নৰেন্দ্ৰ মোদীৰ লগতে আন ৰাষ্ট্ৰপ্ৰধানসকলৰ ভ্ৰমণে সংঘাতৰ পৰিসমাপ্তি ঘটোৱাত সহায় কৰিব। আমাৰ অসম কাকতে গুৰুত্বসহকাৰে এই বাতৰি প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – যুৱতীৰ শ্লীলতা হানি কৰা মীৰাজ গুলীবিদ্ধ, প্ৰিয়াংশু বৈৰগীৰ ৩৪ কোটি টকা জব্দ ই ডিৰ, শিহুৰ ভিডিঅ' লেওতে শোতত উটি মৃত্যু দুই কিশোৰৰ, হোজাইত ছাত্ৰীক শ্লীলতা হানি কৰা শিক্ষকক চুলি খুৰাই গণপ্ৰহাৰ, কৃষ্টি ৰক্ষাৰ সংকল্পৰে এজন ৰণুৱা। অসম, অৰুণাচল, ত্ৰিপুৰাৰ পৰা প্ৰতিবেদন বিচাৰিছে বন্যপ্ৰাণী ব্যুৰোৱে ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত